**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সামান্য উন্নতি হৈছে যদিও বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলাৰ ভালেমান অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনত ৫ লাখ ৬০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৯০টা আশ্ৰয় শিবিৰত ৪১ হাজাৰ ৩১৭ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে।

০০০০০০

বছৰটোৰ প্ৰথমটো বানে সংহাৰি ৰূপ ধাৰণ কৰাৰ সময়তে গড়ৰ ৰম্যভূমি পৱিতৰা অভয়াৰণ্য বানৰ কবলত পৰিছে। ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে অভয়াৰণ্যখনৰ ৭০ শতাংশ বনাঞ্চল বুৰাই পেলাইছে। টুপলুং, হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবি আদি কেইবাটাও বন শিবিৰ বানৰ কবলত পৰিছে। গড়কে ধৰি অভয়াৰণ্যখনৰ আন আন জীৱ-জন্তুসমূহ নিৰাপদ আৰু ওখ স্থানলৈ ঢাপলি মেলিছে। অভয়াৰণ্য কৰ্তৃপক্ষই বন্য প্ৰাণীসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত হাঁহকে ধৰি যাৱতী সকলো ব্যস্থা গ্ৰহণ কৰিছে। চোৰাং চাকাৰীয়ে যাতে বন্য প্ৰাণীসমূহৰ অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে পবিতৰাৰ বন বিভাগে চোকা দৃষ্টি ৰাখিছে।

০০০০০০

ৰাজ্যত বন ধ্বংসৰ কাৰ্যকলাপ কৃত্ৰিম বুদ্ধিমত্তা – এ আইৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত কালি ঘোষণা কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু কৃত্ৰিম উপগ্ৰহৰ সহায়ত বন ধ্বংস আৰু বনভূমিৰ ক্ষতি আদি বাস্তৱসন্মত সময়ত চাব পৰাকৈ এটা পৰ্টেল মুকলি কৰি ডঃ শৰ্মাই কয়, যে এই প'ৰ্টেলৰ জৰিয়তে বনভূমি ধ্বংসৰ বিষয়ে সঠিক সময়ত ব্যৱস্থা ল'ব পৰাকৈ তথ্য লাভ কৰিব পৰা যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিৱেশ সুৰক্ষাৰ দিশত সহায় হ'ব পৰাকৈ বন বিভাগৰ ১২৯ খন বাহনৰ ফ্লেগ অফ কৰে। তেওঁ অসম বন সুৰক্ষা বাহিনীৰ তিনিটা বেটেলিয়নৰ সুৰক্ষা কৰ্মীসকলক অস্ত্ৰও প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধকৰণৰ পদক্ষেপক আগুৱাই নিবলৈ ৰাজ্য চৰকাৰ তৎপৰ হৈছে বুলি মন্তব্য কৰে। তেওঁ অসম চৰকাৰ আৰু অইল ইণ্ডিয়াই যৌথভাৱে ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ, তেজপুৰ আৰু গুৱাহাটীত জৈৱ ইন্ধন প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও জানিবলৈ দিয়ে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰে'ল যাত্ৰীসকলৰ সুবিধা হোৱাকৈ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত প্ৰৱৰ্তন কৰা দ্বিসাপ্তাহিক জনশতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখন সপ্তাহত ৬ দিনকৈ চলাবলৈ অসম ৰে'ল যাত্ৰী সন্থাই আহ্বান জনাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য যাত্ৰী পৰিবহন প্ৰবন্ধকলৈ লিখা এখন পত্ৰত ৰে'ল

যাত্ৰী সংগঠনটোৱে গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এই জনশতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে ৰে'ল কৰ্তৃপক্ষৰ শলাগ লয়। সংগঠনটোৱে ৰে'ল গাড়ীখনৰ যথাযোগ্য ব্যৱহাৰৰ বাবে ইয়াক দৈনিক নহ'লেও অন্ততঃ সপ্তাহত ছদিনকৈ চলাচল কৰালে সমগ্ৰ উত্তৰপৰীয়া ৰাইজ উপকৃত হ'ব বুলি পত্ৰখনত উল্লেখ কৰে। সংগঠনটোৱে এই ৰে'লগাড়ীখনৰ উত্তৰ লখিমপুৰৰ পৰা কৰা যাত্ৰাৰ সময় আগুৱাই দিবলৈ আৰু গুৱাহাটীত উপস্থিত হোৱাৰ সময় মাজনিশা ১১ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে সন্ধিয়া ৭ বজা কৰিবলৈকো এন এফ ৰে'লৱে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

ডিব্ৰুগড় জিলাত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত সকলো হিতাধিকাৰীৰ মাজত জুন, জুলাই আৰু আগষ্ট মাহৰ আৱণ্টিত চাউল বিতৰণ প্ৰক্ৰিয়া অব্যাহত আছে। ডিব্ৰুগড়ৰ ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে আৱণ্টিত চাউল বিতৰণ নিশ্চত কৰিবলৈ খোৱাং, দুলীয়াজান আৰু নাহৰকটীয়া সম-জিলাৰ সুলভ মূলৰ দোকানসমূহ পৰিদৰ্শন কৰিছে। জিলাখনৰ এহেজাৰ ৫৫২ গৰাকী সুলভ মূল্যৰ দোকানৰ এজেণ্টৰ জৰিয়তে ৫৯ দশমিক ৩-৮ শতাংশ হিতাধিকাৰীৰ মাজত ই-প'ছ যোগে ইতিমধ্যে চাউল বিতৰণ কৰা হৈছে।

০০০০০০

আপোনালোকৰ বাবে তেওঁলোকৰ কণ্ঠ হয়তো সুপৰিচিত। কিন্তু আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো তেওঁলোকৰ এটা নিজস্ব পৰিচয় আছে। এনে কেইগৰাকীমান বাতৰি পঢ়োতাৰ ভিন্ন পৰিচয় আগবঢ়োৱা হ'ব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ অহা ৭ জুনৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০০০

বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অধীনত কুজাৰপীঠৰ সমীপৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। নিহত লোকজন বাক্সা জিলাৰ ধূপগুৰিৰ কৃষ্ণ বসুমতাৰী বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ৰাষ্ট্ৰীয় পথৰ পথ বিভাজকত মটৰ চাইকেলৰ নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০

তিনিচুকীয়া জিলাৰ নিকটৱৰ্তী অৰুণাচলৰ সীমান্তত এবিধ বিৰল প্ৰজাতিৰ পখিলাৰ সন্ধান পোৱা গৈছে। ইউথেলিয়া মালাকানা নামকৰণ কৰা পখিলাবিধৰ সংযোজনে ভাৰতত পোৱা পখিলাৰ প্ৰজাতি সৰ্বমুঠ এহেজাৰ ৩২৮ লৈ বৃদ্ধি কৰিলে। আৰক্ষী জোৱান ৰৌচন উপাধ্যায়ৰ প্ৰচেষ্টাত পখিলাৰ এই প্ৰজাতিটোৰ প্ৰায় ১০০ বছৰৰ পাছত পুনৰ সন্ধান পোৱা গৈছে।

০০০০০০

সমাপ্ত